# অধ্যায় ২ঃ ৰঘুনাথ মহন্ত — ৰামৰ বন-গমন

## অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি
২.৩.১ ৰঘুনাথ মহন্তৰ গদ্যৰীতি আৰু অসমীয়া গদ্য সাহিত্যত মহন্তৰ স্থান
২.৪ ৰামৰ বন-গমন
২.৪.১ মূল পাঠ
২.৪.২ সাধাৰণ আলোচনা
২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৬ অধিক জানিবলৈ
২.৭ অগ্ৰগতিৰ খতিয়ান
২.৮ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি সম্পৰ্কে জানিব পাৰিব
- অসমীয়া গদ্য সাহিত্যত ৰঘুনাথ মহন্তৰ স্থান নিৰূপণ কৰি তেওঁৰ গদ্যৰীতি সম্পৰ্কে অৱগত হ'ব
- 'ৰামৰ বন-গমন' শীৰ্ষক পাঠটোৰ বিশ্লেষণ আগ বঢ়াব পাৰিব।

## ২.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টোত আপুনি অসমীয়া গদ্য সাহিত্যৰ জনকস্বৰূপ ভট্টদেৱৰ জীৱন আৰু কৃতি সম্পৰ্কে অধ্যয়ন কৰাৰ লগতে তেওঁৰ দ্বাৰা বিৰচিত *কথাগীত*ৰ এটি উল্লেখযোগ্য অধ্যায় 'বিশ্বৰূপ দৰ্শন'ৰ বিষয়ে বহলাই অধ্যয়ন কৰিলে। এই অধ্যায়টোত আপুনি অসমীয়া গদ্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগ বঢ়োৱা ৰঘুনাথ মহন্তৰ দ্বাৰা বিৰচিত *কথা ৰামায়ণ*ৰ পৰা চয়ন কৰা 'ৰামৰ বন-গমন' অংশটোৰ বিষয়ে বহলাই অধ্যয়ন কৰিব। লগতে ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতিৰ বিষয়েও সম্যক ধাৰণা লাভ কৰিব।

ৰঘুনাথ মহন্ত এগৰাকী কবি আৰু গদ্যকাৰ আছিল। সংস্কৃত সাহিত্য তথা বেদান্তৰ বিভিন্ন বিষয়তো যে তেওঁৰ বুৎপত্তি আছিল সেই বিষয়েও কিছু প্ৰমাণ তেওঁৰ বিভিন্ন সাহিত্যৰাজিৰ মাজত ৰক্ষিত হৈছে। মন কৰিবলগীয়া যে ৰঘুনাথ মহন্তৰ ৰচনাৰাজিৰ মাজত আমি শংকৰদেৰ

আৰু মাধৱদেৱৰ প্ৰতি থকা তেওঁৰ ভক্তিৰ উমান পাওঁ। তদুপৰি মহন্তৰ প্ৰতিখন ৰচনাতে ৰাম ভক্তি আৰু ৰামৰ শ্ৰেষ্ঠত্বৰ কথাই বাৰে বাৰে ঘোষিত হৈছে। অধ্যায়টো অধ্যয়ন কৰি আপুনি তেওঁৰ সৃষ্টিকৰ্মৰ সঠিক ধাৰণা লাভ কৰিব। লগতে আপোনাৰ পাঠ্যবিষয়ৰ অন্তৰ্গত 'ৰামৰ বন-গমন' শীৰ্ষক পাঠটিৰ আধাৰত তেওঁৰ গদ্যশৈলী তথা ৰামভক্তি সম্পৰ্কেও অৱগত হ'ব।

## ২.৩ ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি

***যুগন্ধৰ ঃ*** কোনো এক যুগৰ শ্ৰেষ্ঠ লোকৰ সূচিত কৰিবলৈ ব্যৱহাৰ কৰা এক বিশেষণ।

ৰঘুনাথ মহন্ত অসমীয়া ৰামায়ণী সাহিত্যৰ ***যুগন্ধৰ*** ব্যক্তি আছিল। তেওঁ শংকৰদেৱৰ শিষ্য সতানন্দ বৰভকতৰ সপ্তম পুৰুষ আৰু পিতৃৰ নাম আছিল কৃষ্ণনাথ মহন্ত। পুৰণি অসমীয়া সাহিত্যৰ আন আন ৰচনাকাৰৰ দৰে ৰঘুনাথ মহন্তৰো জীৱন সম্পৰ্কে সঠিক সমল পোৱা নাযায়। বিভিন্ন পণ্ডিতে এই বিষয়ে মন্তব্য আগ বঢ়াইছে, যদিও প্ৰকৃত সময় নিৰ্ণয় হোৱা নাই বুলিয়েই ক'ব পাৰি। অৱশ্যে, *বৰদোৱা চৰিত*, গোবিন্দ দাসৰ *সন্ত সম্প্ৰদা*, ৰামনাথৰ *সন্ত মুক্তাৱলী* আৰু তেওঁৰ *শত্ৰুঞ্জয়* কাব্যত কিছু আভাস পোৱা যায়। ৰঘুনাথ মহন্তৰ প্ৰথম কাব্যগ্ৰন্থ *শত্ৰুঞ্জয়*ত আত্মপৰিচয় দাঙি ধৰিছে এনেদৰে—

সতানন্দ নামে সুদামাৰ বংশজাত।
শংকৰক গুৰু মানি সেৰিলা সাক্ষাত।।
... ... ...
... ... ...
তানপুত্ৰ কৃষ্ণনাথ কৃষ্ণপাৰে ধৰি।
তেহো ভৈলা মহন্ত পণ্ডিত পিতৃ সৰি ।।
তানপুত্ৰ ৰঘুনাথ ৰামপাৰে গতি।
ৰচিলা পয়াৰ ইটো যেন লৈল মতি।।

শংকৰদেৱৰ শিষ্য সতানন্দ বৰভকতৰ প্ৰথম পুত্ৰ জয়কৃষ্ণৰ নাতি হৰিকৃষ্ণই কামৰূপ নৱদ্বীপ আদিত সংস্কৃত পঢ়ি পণ্ডিত হৈ দৈয়াঙৰ এলেঙি সত্ৰ প্ৰতিষ্ঠা কৰে। হৰিকৃষ্ণৰ পুত্ৰ কৃষ্ণনাথ, কৃষ্ণনাথৰ পুত্ৰ ৰঘুনাথ মহন্ত।

অসমীয়া সাহিত্যৰ ইতিহাসকাৰ সত্যেন্দ্ৰনাথ শৰ্মাই শংকৰদেৱৰ লগত ৰঘুনাথ মহন্তৰ ব্যৱধান দুশ বছৰৰো অল্পাধিক বুলি মন্তব্য কৰিছে। ইয়াত 'দুশ বছৰৰো অল্পাধিক' কথাষাৰে দুশ বছৰৰো কিছু বেছি বছৰক সামৰি লোৱাটো নিশ্চিত কৰিছে। সেয়ে শংকৰদেৱৰ জন্ম চনৰ লগত দুশ বছৰ যোগ কৰি প্ৰায় ১৬৪৯ চন পোৱা যায়। এই কথাষাৰৰ পৰাই অনুমান কৰিব পাৰি যে তেওঁৰ জন্ম ১৬৬৯ চনৰ সমসাময়িক সময়ত। ঠিক সেইদৰে শেষৰখন ৰচনা *কথা ৰামায়ণ*ৰ অযোধ্যাকাণ্ডৰ শেষত — "সমাপ্তোয়ং কাণ্ডংশকে ১৭০৩।।" উল্লেখ থকাৰ পৰা গ্ৰন্থখনৰ ৰচনাৰ শেষ সময়সীমা ১৭০৩ শকত, অৰ্থাৎ ১৭৮১ চন বুলি অনুমান কৰিব পাৰি। তাৰ পৰাই অনুমান কৰিব পাৰি যে তেওঁ ১৭৮১ চনৰ সমসাময়িক সময়লৈকে জীয়াই আছিল। সত্যেন্দ্ৰনাথ

শৰ্মাই এই বিষয়ে মন্তব্য আগ বঢ়াইছে — “ৰঘুনাথে বৃদ্ধ বয়সত মৃত্যুৰ আগে আগে ভক্তি প্ৰধান *কথা ৰামায়ণ* লেখিবলৈ লয় যেন লাগে। কিন্তু কালে তেওঁৰ সেই কাম বোধকৰোঁ সম্পূৰ্ণ কৰিবলৈ নিদিলে। তুলসীদাসে যেনেকৈ কেৱল ৰাম সম্বন্ধীয় গ্ৰন্থকেই ৰচনা কৰিছিল, ৰঘুনাথেও সেইদৰে কেৱল ৰামৰ কাহিনীতেই তেওঁৰ লেখনী আৱদ্ধ ৰাখিছিল।”

ৰঘুনাথ মহন্তৰ ব্যক্তিত্বই কেইবাটাও দিশৰে আত্মপ্ৰকাশ কৰিছিল। তেওঁ এগৰাকী কবি আৰু কথা সাহিত্যিক আছিল। তদুপৰি সংস্কৃত সাহিত্য আৰু বেদান্তাদি শাস্ত্ৰৰ বুৎপত্তিৰ আধাৰত ৰঘুনাথ মহন্ত এগৰাকী বিশিষ্ট পণ্ডিত আছিল বুলি অনুমান কৰিব পাৰি। ইতিমধ্যেই উল্লেখ কৰি অহা হৈছে যে ৰঘুনাথ মহন্তৰ সাহিত্যৰাজিত ৰামৰ শ্ৰেষ্ঠত্ব প্ৰতিফলিত হৈছে। তেওঁৰ প্ৰথম গ্ৰন্থ *শত্ৰুঞ্জয়* আৰু দ্বিতীয় গ্ৰন্থ *অদ্ভুত ৰামায়ণ*ৰ কাহিনী প্ৰকাশত ‘ৰামৰ’ চৰিত্ৰত মানৱীয় গুণাৱলী আৰোপ কৰা পৰিলক্ষিত হয়। ঠিক তেনেদৰে তেওঁ শংকৰ-মাধৱৰ এগৰাকী অনুৰক্ত আৰু অনুগত ব্যক্তি আছিল। সেয়ে ৰঘুনাথ মহন্ত এগৰাকী কবি, গদ্যকাৰ আৰু বৈষ্ণৱ ধৰ্মৰ একনিষ্ঠ সেৱক হিচাপে জিলিকি আছে।

ৰঘুনাথ মহন্তই তেওঁৰ জীৱন কালত মাত্ৰ তিনিখন কাব্যহে ৰচনা কৰি গৈছে। এই তিনিখন গ্ৰন্থই তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ। গ্ৰন্থ কেইখনত মূলতঃ ৰামৰ কাহিনীৰ আধাৰ ৰচিত। সেয়ে তেওঁক অসমীয়া ৰামায়ণী সাহিত্যত স্থান অদ্বিতীয়। তেওঁৰ তিনিখন গ্ৰন্থৰ ভিতৰত *শত্ৰুঞ্জয়* আৰু *অদ্ভুত ৰামায়ণ* কাব্যত আনহাতে *কথা ৰামায়ণ* গদ্যত ৰচিত।

ৰঘুনাথ মহন্তৰ প্ৰথম কাব্য পুথি *শত্ৰুঞ্জয়*। কাব্যখনৰ ৰচনাৰ সময়-চন-তাৰিখ একোৰে লিপিবদ্ধ নাই। কিন্তু হেমচন্দ্ৰ গোস্বামীয়ে কাব্যখনিৰ ৰচনাৰ সময় ১৬৬৮ শক অৰ্থাৎ ১৭৩৬ চন বুলি *অসমীয়া পুথিৰ বিৱৰণাত্মক তালিকা* (*Descriptive Catalogue of Assamese Manuscripts*) নামৰ গ্ৰন্থত উল্লেখ কৰিছে। সত্যেন্দ্ৰনাথ শৰ্মাইও এই পুথিখন ১৬৬৮ শক অৰ্থাৎ ১৭৩৬ চনত সমাপ্ত হৈছিল বুলি মন্তব্য কৰিছে। *শত্ৰুঞ্জয়* এখন বৃহৎ কলেবৰৰ কাব্য পুথি। ইয়াৰ ছপা সংস্কৰণত দুহেজাৰ এশ ত্ৰিশটা চাৰি শৰীয়া পদ আছে।

বিৰিঞ্চি কুমাৰ বৰুৱা সম্পাদিত *শত্ৰুঞ্জয়* কাব্যৰ পৰিচয়মূলক টোকাত সত্যেন্দ্ৰনাথ শৰ্মাই এনেদৰে কৈছে যে কাব্যখনি কবিৰ ডেকা বয়সৰ ৰচনা যেন অনুমান হয়। কাৰণ কাব্যখনিত কাহিনীৰ দুৰ্বলতা, গতানুগতিক বৰ্ণনা, ঘটনা আৰু বৰ্ণনাৰ পুণৰাবৃত্তি, মানৱীয় আবেদনৰ অভাৱ, কাহিনীৰ বৈচিত্ৰ্যহীন আদি ত্ৰুতিৰ কথা উল্লেখ কৰিছে। কিন্তু সতেন্দ্ৰনাথ শৰ্মাৰ এই বক্তব্য যুক্তিসংগত বুলি ধাৰণা কৰিব নোৱাৰি। কাৰণ ডেকা বয়সত লিখা লিখনিত যে এনেধৰণৰ আসোঁৱাহ থাকিব, পৈনত বয়সৰ লিখকৰ যে নাথাকিব সেয়া মানি লোৱাত কিছু অসুবিধা হয়। মূলতঃ *শত্ৰুঞ্জয়* কাব্যখন ৰঘুনাথ মহন্তৰ প্ৰথম ৰচিত কাব্য, হেতু তাত আসোঁৱাহ থকাটো আচৰিত কথা নহয়।

ৰঘুনাথ মহন্তৰ দ্বিতীয়খন কাব্য হ’ল *অদ্ভুত ৰামায়ণ*। কাব্যখনিৰ ৰচনাৰ সঠিক সময় জ্ঞাত নহয়। বিৰিঞ্চি কুমাৰ বৰুৱা আৰু নবীন চন্দ্ৰ শৰ্মাৰ মতে— *শত্ৰুঞ্জয়* কাব্য আৰু *কথা ৰামায়ণ*ৰ মাজত সময়ছোৱাতে ৰচিত উক্ত কাব্যখন সময়সীমা ১৭৩৬ চনৰ পৰা ১৭৮১ৰ ভিতৰত।

ৰঘুনাথ মহন্তৰ *অদ্ভুত ৰামায়ণ* আৰু *শত্ৰুঞ্জয়* কাব্যৰ মাজত সাদৃশ্য লক্ষণীয়। যেনে—কাহিনীৰ উপস্থাপন কৌশল, বৰ্ণনা বৈভৱ, ৰস সৃষ্টি আৰু ছন্দৰ ব্যৱহাৰত এনে মিল দেখা যায়। অৱশ্যে মন কৰিবলগীয়া যে এই কাব্যখন সংস্কৃতত ৰচিত *অদ্ভুত ৰামায়ণ*ৰ লগত একেবাৰে মিল নাই। সংস্কৃত *অদ্ভুত ৰামায়ণ*ত সীতাই শতস্কন্ধ ৰাৱণ বধ কৰাৰ কাহিনী আছে কিন্তু অসমীয়া কবিয়ে পাতাল প্ৰৱেশৰ পিছত সীতা কি অৱস্থাত পৰ্যবসিত হ'ল, তাৰ কাল্পনিক ছবি নিজস্ব দৃষ্টিভংগীৰে ৰূপায়ণ কৰিবলৈ প্ৰয়াসৰ কৰাৰ ফলতেই সৃষ্টি হৈছে অদ্ভুত আৰু বিস্ময়াবহ বিৱৰণ সম্বলিত *অদ্ভুত ৰামায়ণ*।

ৰঘুনাথ মহন্তৰ তৃতীয়খন গ্ৰন্থ *কথা ৰামায়ণ*। এইখন কবিৰ শেষ বয়সৰ ৰচনা বুলি সকলো সাহিত্যৰ ইতিহাসকাৰেই মানি লৈছে। গ্ৰন্থখনি লিখাত মনোনিবেশ কৰি থাকোঁতে আকস্মিকভাৱে মহন্তৰ মৃত্যু হোৱাত কাব্যখন সম্পূৰ্ণ নহ'ল। সেয়ে এতিয়ালৈকে তেওঁ লিখা মাত্ৰ চাৰিটা কাণ্ডহে উদ্ধাৰ হৈছে। গদ্যত ৰচিত এই গ্ৰন্থখনিৰ বৰ্ণনাৰ সংযম আৰু গাম্ভীৰ্য, ভক্তি ভাবৰ গাঢ়তা আৰু সৰস গদ্যভঙ্গীৰ বাবেই অসমীয়া গদ্য সাহিত্যত এক সুকীয়া স্থান লাভ কৰি আহিছে। ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণে* অসমীয়া সাহিত্যৰ উপৰি সমগ্ৰ উত্তৰ ভাৰতীয় কথাত লিখা সাহিত্যৰাজিৰ মাজত এক বিশিষ্ট আসন লাভ কৰি আছে।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ১ ঃ** হেমচন্দ্ৰ গোস্বামীয়ে ৰঘুনাথ মহন্তৰ প্ৰথম কাব্য পুথি *শত্ৰুঞ্জয়* কেতিয়া ৰচনা কৰা বুলি কৈছে? এই কথা তেওঁ ক'ত উল্লেখ কৰি গৈছে?

.................................................................................................

.................................................................................................

**প্ৰশ্ন নং ২ ঃ** সংস্কৃত *অদ্ভুত ৰামায়ণ* আৰু অসমীয়া *অদ্ভুত ৰামায়ণ*ৰ কথাবস্তুৰ মিল আছেনে?

.................................................................................................

## ২.৩.১ ৰঘুনাথ মহন্তৰ গদ্যৰীতি আৰু অসমীয়া গদ্য সাহিত্যত মহন্তৰ স্থান

ভট্টদেৱৰ অব্যৱহৃত পৰৱৰ্তী কালত গদ্যত সাহিত্য ৰচনা কৰাৰ পৰম্পৰা ধাৰাবাহিক ৰূপত প্ৰবাহিত হ'বলৈ ধৰে। তদানীন্তন সময়ত ৰচনা কৰা *ভক্তি ৰত্নাকৰ কথা, সাত্ত্বতন্ত্ৰ, পদ্মপুৰাণ কথা, কথা ঘোষা* আদি ইয়াৰ প্ৰকৃষ্ট উদাহৰণ। এই সময়ছোৱাতে ৰঘুনাথ মহন্তই *কথা ৰামায়ণ*খন ৰচনা কৰে। তেওঁ গ্ৰন্থখনৰ আদিকাণ্ডত নিজেই উল্লেখ কৰি গৈছে যে এইখন বাল্মীকি *ৰামায়ণ*ৰ সংক্ষিপ্ত গদ্যৰূপহে।

ৰঘুনাথ মহন্তই *কথা ৰামায়ণ*খনি অৰণ্যকাণ্ডলৈকেহে অনুবাদ কৰিছিল।

অৰণ্যকাণ্ডৰ ষষ্ঠ অধ্যায়ৰ শেষত এনেদৰে আছে — 'শ্ৰী ৰামায়ণৰ অৰণ্যকাণ্ড কথায়াং ৰঘুনাথ কৃতায়াং ষষ্ঠোহধ্যায়ঃ।" ইয়াৰ পৰৱৰ্তী কিস্কিন্ধ্যাকাণ্ডটোত 'শিষ্ট' নামৰ পণ্ডিতজনৰ ভনিতা আছে। এই কাণ্ডটোৰ প্ৰথম অধ্যায়ত আছে— "শ্ৰী ৰামায়ণ-কথায়াং শিষ্ট-বিৰচিতায়াং প্ৰথমোধ্যায়ঃ।" ঠিক সেইদৰে এই কাণ্ডৰ চতুৰ্থ অধ্যায়টো 'শিষ্ট'ৰ ভনিতা আছে। সেয়ে সাহিত্যৰ ইতিহাসকাৰসকলে ঠাৱৰ কৰিছে ৰঘুনাথ মহন্তই এই গ্ৰন্থখন সম্পূৰ্ণ কৰিব নোৱাৰিলে। এই ক্ষেত্ৰত সত্যেন্দ্ৰনাথ শৰ্মাই সম্পাদনা কৰি প্ৰকাশ কৰা *কথা ৰামায়ণ*ৰ পাতনিত উল্লেখ কৰা এযাৰ মন্তব্য উল্লেখযোগ্য — "ৰঘুনাথৰে বিশেষণৰূপে 'শিষ্ট' শব্দৰ প্ৰয়োগ হৈছে বুলি ধৰি ল'ব নোৱাৰি; কিয়নো, কিষ্কিন্ধ্যা কাণ্ডৰ ভাষাৰ লগত আগৰ তিনিটা কাণ্ডৰ ভাষাৰ সাদৃশ্য বৰ কম। কিষ্কিন্ধ্যা কাণ্ডৰ ৰচনাৰীতি বেছি ঘৰুৱা আৰু ব্ৰজবুলি প্ৰভাৱহীন; আনকি মূল পুথিত কিষ্কন্ধ্যা কাণ্ডৰ হস্তাক্ষৰো বেলেগ। গতিকে ৰঘুনাথ আৰু শিষ্ট যে একেজন মানুহ নহয়; ই ধুৰুপ।"

*কথা ৰামায়ণ*ৰ অযোধ্যাকাণ্ডৰ শেষত — "সমাপ্তোয়ং কাণ্ডংশকে ১৭০৩।।" বুলি উল্লেখ আছে বুলি ইতিপূৰ্বে উল্লেখ কৰা হৈছে আৰু তাৰ অধাৰতেই মন্তব্য কৰা হৈছে যে এই গ্ৰন্থখনৰ ৰচনাৰ শেষ সময়সীমা ১৭০৩ শক, অৰ্থাৎ ১৭৮১ চন বুলি অনুমান কৰিব পাৰি। মন কৰিবলগীয়া যে মূল *ৰামায়ণ*ৰ প্ৰধান আৰু বিশেষ ঘটনাবোৰৰ চমু বিৱৰণহে এই পুথিখনৰ মাজত অন্তৰ্ভুক্ত হৈছে। ৰঘুনাথ মহন্তই এই পুথিখন বাল্মীকি *ৰামায়ণ*ৰ সংক্ষিপ্ত গদ্যৰূপহে বুলি উল্লেখ কৰি গৈছে যদিও তেওঁ মাধৱ কন্দলি তথা গুৰু দুজনা, অনন্ত কন্দলিৰ ৰামকথাতহে বিশেষভাৱে দৃষ্টিপাত কৰা পৰিলক্ষিত হয়। তেওঁৰ ভাষাৰে — "শ্ৰীৰামদেৱৰ চৰিত্ৰ কথা মহা মহা কবিসবে কোটি কোটি গ্ৰন্থৰে নিবন্ধন কৰিৰো অন্ত নপাৰে। হেন চৰিত্ৰক আমি ক্ষুদ্ৰবুদ্ধি কেমনে কহিবো। গংগাজলে ক্ষুদ্ৰ বৃষ্টিজল হয় ঃ সে সংগাজলক কোনো জনে কি বাচি আচে।" অৱশ্যে মহন্তৰ ৰচনাত বহু ক্ষেত্ৰত মূল *ৰামায়ণ*ৰ লগত পাৰ্থক্য ৰক্ষিত হৈছে।

ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ*ৰ ভাষা পূৰ্বৰ পুথি-পাজিৰ আধাৰতেই গঢ় লৈ উঠিছে যদিও ভট্টদেৱৰ গদ্যৰ দৰে সংস্কৃত টীকা-ভাষ্যৰ প্ৰভাৱৰ পৰা প্ৰায় মুক্ত। অৱশ্যে ৰচনাভংগীত ভট্টদেৱৰ প্ৰভাৱ আছে, কিন্তু এই গদ্য কাব্যিক লয় যুক্ত নহয়। *কথাগীতা*ৰ বাক্যবিন্যাস পদ্ধতি, বৈয়াকৰণিক বৈশিষ্ট্য, তৎসম শব্দৰ প্ৰয়োগ আদি গদ্যৰীতিৰ সৈতে ৰঘুনাথ মহন্তৰ গদ্যৰীতিৰ সংগতি আছে। যেনে—

> এই কথা ধৃতৰাষ্ট্ৰৰ প্ৰতি সঞ্জয় কহন্ত ঃ এহি বুলি ভগৱন্তে অৰ্জুনক প্ৰতি ঈশ্বৰ ৰূপ দেখাইলা। ৯।। যাত অনেক মুখ নেত্ৰ, নানাবিধ দিব্য অলংকাৰ, অদ্ভুত অনেক আয়ুধ, অনেক আশ্চৰ্য্য দৰ্শন আছে। দিব্য পুষ্প পৰিধান কৰিছা, দিব্য গন্ধ-চন্দন যাত আছে, যিসকল আশ্চৰ্য্য প্ৰায় প্ৰকাশময়, অপৰিচ্ছিন্ন, সৰ্ব্বতোমুখ, বিশ্বৰূপ দীপ্তিৰ নিৰূপম কহন্ত। *(কথাগীতা)*

*কথা ৰামায়ণ*ৰ গদ্যশৈলীৰ উদাহৰণ—

> নাৰদে কহন্ত ঃ জানা বাল্মীকি, ৰামৰ অভিষেক সুনি জেখন নগৰত মহা মহোৎসৱ, সোহি সময়ে কৈকেয়ীৰ দাসী কুব্জা নামত মন্থৰা নগৰত আনন্দ বধাই দেখি জিজ্ঞাসা কৰি ৰামৰ অভিষেক সুনি মহা মন-কষ্টে মহাদই কৈকেয়ীত কহিল।

অৱশ্যে, "গদ্যৰ ঠাচ ভট্টদেৱৰ গদ্যঠাচৰ অনুৰূপ, কিন্তু ভট্টদেৱতকৈ কিছু সৰল" বুলিও সত্যেন্দ্ৰনাথ শৰ্মাই *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*ত মত পোষণ কৰিছে। প্ৰসংগক্ৰমে উল্লেখ কৰি যাব পাৰি যে এয়া কথোপকথন শৈলীৰ সাৰ্থক প্ৰয়োগ। চুটি চুটি বাক্যৰ প্ৰয়োগেৰে এনে গদ্যক নাটকীয় ৰূপ প্ৰদান কৰাৰ প্ৰয়াস কৰা হৈছে। *কথা ৰামায়ণ*ত শংকৰদেৱৰ বিৰচিত *ৰামবিজয় নাট*ৰ প্ৰভাৱ প্ৰবলভাৱে অনুভূত হয়। বিশেষকৈ অযোধ্যাকাণ্ডত। উদাহৰণস্বৰূপে উল্লেখ কৰিব পাৰি —

> দশৰথে ঋষিক অসন দিয়া পাদ্য অৰ্ঘে পূজা কৰিলা; কৰযোৰে বোলন্ত, হে ঋষিবৰ তোমাৰ পদ পংকজে আজ অযোধ্য পূত ভৈল। তোহাৰ দৰশনে আমাৰ জন্ম সাৰ্থক ভৈল। আজু যে আজ্ঞা হয় হামু সত্যে সত্যে কৰব। *(কথা ৰামায়ণ)*

একেখিনি কথা *ৰামবিজয় নাট*ত উল্লেখ আছিল এনেদৰে—

> দশৰথ— হে মুণিৰাজ তোহাৰি পদ পৰশে হামাৰ অযোধ্যাপুৰ পবিত্ৰ ভেল। তব দৰশনে হামাৰ জনম সাখল ভেল। মুনিন্দ্ৰ কোন প্ৰয়োজন সাধো হামাক আজ্ঞা কৰহ। (সভামধ্যে অংগীকাৰ কয়ে বোলল) আণ্ড যে দান মাগহ তোমাকে সত্যে সত্যে দেৱবো।

ঠিক সেইদৰে মাধৱদেৱে অনুবাদ কৰা *ৰামায়ণ*ৰ আদিকাণ্ডত উল্লেখ থকা "ৰূপে কোটি কন্দৰ্পৰো দৰ্প কৰে চুৰ" আদি বাক্যাংশৰ সমধৰ্মী প্ৰয়োগ দেখা যায় *কথা ৰামায়ণ*ত, যথা — "ৰূপে কোচি কন্দৰ্প্পৰ দৰ্প্প হৰিচে"। অনন্ত কন্দলিয়ে ৰচনা কৰা *ৰামায়ণ*ৰ লগতো *কথা ৰামায়ণ*ৰ গদ্যৰ মিল পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে উল্লেখ কৰা হ'ল —

> ধিক ধিক ৰূপ তোৰ জীৱন যৌৱন।
> সতিনীৰ দাসী তঞি কিসৰ ভাজন। (অনন্ত কন্দলিৰ *ৰামায়ণ*)

একেখিনি কথা *কথা ৰামায়ণ*ত উল্লেখ আছে এনেদৰে— "হে দুৰ্ভগা তোৰ ধিক ৰূপ যৌৱন ঃ সতিনীৰ চেৰিতো অধিক ভৈল।"

এই আলোচনাৰ পৰাই আমি ধাৰণা কৰিব পাৰিলোঁ যে ৰঘুনাথ মহন্তৰ গদ্যৰীতিত পূৰ্বৱৰ্তী কবিকুলৰ প্ৰভাৱ অপৰিসীম। এই প্ৰসংগত আৰু উল্লেখ কৰি যাব পাৰি যে *কথা ৰামায়ণ*ত পূৰ্বকবিসকলে চিত্ৰিত কৰা নায়ক-নায়িকা আদিৰ ৰূপৰ বৰ্ণনাৰ অনুৰূপ প্ৰয়োগ ঘটিছে। উদাহৰণস্বৰূপে ৰাম-লক্ষ্মণৰ বৰ্ণনা কৰিবলৈ গৈ ৰঘুনাথ মহন্তই লিখা — "প্ৰথম কৈশোৰ বয়সঃ দুৰ্বাদল শ্যামতনু ঃ পদতল ৰাতুল ৰাজিৱ লোচন; পংকজদল পাদপদ্ম দুখানি... ...মত্ত গজেন্দ্ৰ গমন ঃ গম্ভিৰ ধ্বনি ঃ মহাপুৰুষ লক্ষণ যুক্ত।" — এয়া পূৰ্বৱৰ্তী কবিসকলৰ বৰ্ণনাৰ অনুৰূপ। আনকি ৰঘুনাথ মহন্তই প্ৰতিটো

অধ্যায়ৰ শেষত বৈষ্ণৱ কবিকূলৰ দৰে ভগৱন্তৰ শ্ৰীচৰণত নিজকে সমৰ্পণ কৰিবলৈকো মনত পেলাই দিছে —"হে লোকসৱ, দেখু দেখু শ্ৰীৰামদেৱৰ মাতৃ কৌশল্যা হেন শান্তীৰো পুত্ৰ-বিয়োগ-দুখ মিলিল। আৰ সামান্যৰ কি কহবো। হেন জানি এসৱ পুত্ৰ-মিত্ৰাদিত মমতা ছাড়ি উচ্চ কৰি হৰি বোল হৰি।।"

এনে বোৰ কাৰণতেই হয়তো মহেশ্বৰ নেওগে "প্ৰতিটো অধ্যায়ৰ শেষত ভক্তিৰ আঁচুফুল গাঁথি দিয়া হৈছে।" বুলি মন্তব্য কৰাৰ লগতে ৰঘুনাথ মহন্তই "বৈষ্ণৱ গদ্যৰ যোড়শ শতিকাৰ ঐতিহ্যৰ পুনৰুত্থান কৰিবৰ প্ৰয়াস কৰিছিল" বুলি মত পোষণ কৰিছে। তলত ৰঘুনাথ মহন্তৰ গদ্যৰ আন কেইটামান উল্লেখযোগ্য বৈশিষ্ট্য উল্লেখ কৰা হ'ল—

- ৰঘুনাথ মহন্তই ৰচনা কৰা বুলি ঠাৱৰ কৰা কাণ্ড কেইটাত ব্ৰজাৱলী শব্দৰূপৰ লগতে ক্ৰিয়াৰূপৰ সঘন প্ৰয়োগ পৰিলক্ষিত হয়। যেনে — ৰাৱণৰ বাণী শুনি দেৱী ভয়ে কোপে কম্পিত হুয়া বোলন্ত— অহে ৰাক্ষস বৰ্বৰ, ...সূচীৰ নয়ন ঝান্তিতে চাৱ। (আদিকাণ্ড)।
- উপমা, অনুপ্ৰাসৰ প্ৰয়োগ প্ৰচুৰ, যেনে — জৈচে গগন মধ্যে পূৰ্ণিমাক চান্দ, নব তৰুণি পদ্মিনি জনকনন্দিনি। এই প্ৰয়োগো পূৰ্বৱৰ্তী কবিকূলৰ অনুৱৰ্তী।
- দুই-এক আৰবী-ফাৰ্চী শব্দৰ প্ৰয়োগো পৰিলক্ষিত হয় — হুকুম, নফৰ, চাকৰ ইত্যাদি।
- বাক্য চুটি চুটি, গুৰু-গম্ভীৰ আৰু প্ৰবাহশীল, প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰ তথা সমাস বহুল গদ্য প্ৰয়োগ পৰিলক্ষিত হয়। সেয়ে *কথা ৰামায়ণ*ৰ ভাষা নিমজ, কোমল আৰু সৰলতা গুণেৰে সমৃদ্ধ।
- ৰঘুনাথ মহন্তৰ অনুবাদ ভাৱানুবাদ, আক্ষৰিক নহয়। *কথা ৰামায়ণ*ত তেওঁৰ অনুবাদৰ দক্ষতা আৰু মৌলিকতা প্ৰতিফলিত হৈছে। অনুবাদত মহন্তই সাধুভাষা আৰু কথ্য ভাষাত সংমিশ্ৰণ কৰি এক নতুন ভাষাৰীতি সৃষ্টি কৰিছে। যেনে— "কৈকেয়ী বোলন্ত ঃ পূৰ্ব্বে মোক বৰ দুই দিতে তুমি সত্য কৰিছা। এখন সোহি বৰ দুই দিয়া। ৰামক ৰাজ্য নেদি ভৰতক ৰাজ্যভাৰ দিবা। আৰু বৰে ৰামক, ভাতৃ-ভাৰ্য্যা সমে চৈধ্যয় বৰ্ষক লাগি বনে খেদিবা। তেবে মোৰ প্ৰীতি হৱে।"
- সংস্কৃতিয়া বাক্য-ৰীতিৰ প্ৰয়োগ মাজে মাজে পৰিলক্ষিত হয়। যেনে — "হে প্ৰভু ৰাম তুমি পূৰ্ণকাম, সৰ্ব্বেশ্বৰ, সৱজ্ঞ, সৰ্ব্বকাৰণ, সৰ্ব্বকৰ্ত্তা, সৰ্ব্বনিয়ামক, সৰ্ব্বস্বৰূপ, অজ, অকৰ্ত্তা, নিৰ্গুণঃ"
- তৎসম শব্দৰ প্ৰাচুৰ্যৰে তেওঁ গদ্যৰীতি সমৃদ্ধ। অৱশ্যে অৰ্ধ-তৎসম, তৎভৱ, দেশজ শব্দৰো প্ৰয়োগ আছে। যেনে — তৎসম ঃ তপ, অমৃত, শৃগাল
  অৰ্ধ-তৎসম ঃ মুৰুতি, ৰতন, পৰশ
  তৎভৱ ঃ তোৰ, ঠামে, পয়ান
  দেশজ ঃ টেণ্টন, ঢোল

- ‘ক্ষ’-ৰ ঠাইত ‘খ্যা’-ৰ (শিখ্যা), ‘শ’-ৰ ঠাইত ‘স’ (আদেস, পসিলা), ‘য’-ৰ ঠাইত ‘জ’ (জি, জেতেক), স্ত্রী-প্রত্যয়ৰ ‘ঈ’-ৰ ঠাইত ‘ই’ (গোসানি, ৰাক্ষসি, সিংহিনি); ৰেফ যুক্ত বৰ্ণৰ দ্বিত্ব ৰূপ (সৰ্ব্ব, সৰ্প্প), ব্রজাৱলীৰ সৰ্বনামৰ (তোৰাসৰক, কাহু) ব্যৱহাৰ কৰা দেখা যায়।
- সন্ধিৰ ব্যৱহাৰত সংস্কৃত ব্যাকৰণ মানি চলিছে, যেনে— চতুর্থোধ্যায়। ঠিক সেইদৰে সংস্কৃত ব্যাকৰণৰ নিয়মসিদ্ধ প্রচুৰ সমাসবদ্ধ পদৰ ব্যৱহাৰো বিৰল নহয় — পূৰ্ণচন্দ্ৰবদন, চুম্বিত মধুকৰ ইত্যাদি।

ৰঘুনাথ মহন্তই ভকতীয়া গদ্য ঠাঁচ আৰু ভট্টদেৱৰ গদ্যৰ মধ্যৱৰ্তী পন্থা অৱলম্বন কৰি নিজস্ব গদ্যৰীতি তৈয়াৰ কৰিছে যদিও বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ সৈতে সামান্যভাৱে সাদৃশ্য অনুভৱ কৰা যায় বুলি নবীনচন্দ্ৰ শৰ্মাই মন্তব্য আগ বঢ়াইছে। অৱশ্যে মন কৰিবলগীয়া যে সম্প্রতি প্রচলিত আধুনিক অসমীয়া গদ্যৰ লগত ৰঘুনাথ মহন্তৰ গদ্যৰ বহু পাৰ্থক্য বিদ্যমান। সেই বাবে সাহিত্যৰ ইতিহাসকাৰসকলে বৰ্তমানৰ অসমীয়া গদ্য ৰঘুনাথ মহন্তৰ গদ্যৰ বিকশিত ৰূপ নহয় বুলিও মত পোষণ কৰে। সেয়ে “*কথা ৰামায়ণ* শংকৰদেৱ আৰু তেখেতৰ সমসাময়িক কবি সাহিত্যিকসকলৰ ৰচনাতকৈ অন্ততঃ দুশ বছৰৰ পাছত ৰচিত হ’লেও, বৈয়াকৰণিক নতুন বৈশিষ্ট্য বা প্ৰয়োগ দেখা নাযায়। বৈষ্ণৱ যুগৰ গদ্যত প্ৰয়োগ হোৱা বৈয়াকৰণিক প্ৰয়োগৰ লগত *কথা ৰামায়ণ*ৰ ব্যাকৰণ গঢ়ৰ বিশেষ ব্যৱধান নাই।” বুলি সত্যেন্দ্ৰনাথ শৰ্মাই সম্পাদনা কৰা এই গ্ৰন্থখনৰ পাতনিত উল্লেখ কৰি গৈছে। অৱশ্যে, ইতিমধ্যে উল্লেখ কৰা কিছু বৈশিষ্ট্যৰ বাবেই অসমীয়া কথা সাহিত্যৰ ইতিহাসত ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ*ৰ স্থান পৃথক আৰু তেওঁৰ গদ্যৰীতি তেওঁতেই সীমিত।



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৩ ঃ** ৰঘুনাথ মহন্তৰ আন এটা নাম ‘শিষ্ট’ — কথাষাৰ শুদ্ধ নে অশুদ্ধ।

.......................................................................................

**প্ৰশ্ন নং ৪ ঃ** ৰঘুনাথ মহন্তই প্ৰতিটো অধ্যায়ৰ শেষত বৈষ্ণৱ কবিকুলৰ দৰে ভগৱন্তৰ শ্ৰীচৰণত নিজকে সমৰ্পণ কৰিবলৈকো মনত পেলাই দিয়াৰ বাবে মহেশ্বৰ নেওগে কি মন্তব্য আগ বঢ়াইছিল? (৪৫ টা শব্দৰ ভিতৰত লিখক)

.......................................................................................

.......................................................................................

.......................................................................................

.......................................................................................

## ২.৪ ৰামৰ বন-গমন

ইতিমধ্যে আমি ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি সম্পৰ্কে বহলাই আলোচনা কৰিলোঁ। লগতে অসমীয়া গদ্য সাহিত্যত তেওঁৰ স্থান সম্পৰ্কেও কিছু কথা অৱগত হোৱাৰ লগতে তেওঁৰ গদ্যশৈলী সম্পৰ্কে জ্ঞান লাভ কৰিলোঁ। এতিয়া আমাৰ পাঠ্যবিষয়ত অন্তৰ্ভুক্ত পাঠটিৰ বিষয়ে বহলাই আলোচনা কৰিম। তলত মূল পাঠখিনি উল্লেখ কৰি তাৰ বিষয়ে বহলাই আলোচনা কৰা হ'ল। ইতিপূৰ্বে উল্লেখ কৰি অহা হৈছে যে এই পাঠাংশ ৰঘুনাথ মহন্তই লিখা *শ্ৰীৰামায়ণ-কথা*ৰ, অযোধ্যা-কাণ্ড, দ্বিতীয়-তৃতীয় অধ্যায়ৰ অন্তৰ্গত।

### ২.৪.১ মূল পাঠ

(*শ্ৰীৰামায়ণ-কথা*, অযোধ্যা-কাণ্ড, দ্বিতীয়-তৃতীয় অধ্যায়)

নাৰদে কহন্ত ঃ জানা বাল্মীকি, ৰামৰ অভিষেক সুনি জেখন নগৰত মহা মহোৎসৱ, সোহি সময়ে কৈকেয়ীৰ দাসী কুব্জা নামত মন্থৰা নগৰত আনন্দ বধাই দেখি জিজ্ঞাসা কৰি ৰামৰ অভিষেক সুনি মহা মন-কষ্টে মহাদই কৈকেয়ীত কহিল। সুনি পটেশ্বৰী কুঁজীক কণ্ঠহাৰ দি বোলন্ত ঃ হে বাই কুঁজী, মোত হেন প্ৰিয় বাত কহিলি, ইহাৰ উচিত ফল তোক লাগি নেদেখি।

কুঁজী কণ্ঠহাৰ চৰণে মৰ্দ্দি মাৰ্গ-তলে পঠাই বোলন্ত ঃ হা হা, মই কি দোষৰ ফলে তোৰ সঙ্গত পৰি ৰহিলো। জাতো তোৰ সুখ নেদেখিলো। হে দুৰ্ভগা, তোৰ ধিক ৰূপ-যৌৱন। সতিনীৰ চেড়ীতো অধিক ভৈলি। অয়ে কুলক্ষিণী, সতিনীৰ পুত্ৰ ৰাজা হৈব, তাত তোৰ এমত চিত্ত ভৈল। ৰাম ৰাজা ভৈলে তোৰ ভৰত কি জীৱ? কৈকেয়ী বোলন্ত ঃ হৈ চেড়ী, কেনে হেন বোল বোলস? মহাৰাজকে উচিত ৰামচন্দ্ৰ মাতৃতোধিক মোত ভক্তি কৰে। মোৰো ৰামত ভৰততোধিক স্নেহ। অয়ে পামৰী, কি নিমিত্ত অমৃতত বিষ ঢাল? কুঁজী বোলে ঃ তই চক্ষু খাইলি। তোৰ বাপে ভাতৃক ৰাজ্য নেদি যুদ্ধাদিত্য পুত্ৰক ৰাজা পাতিল। ৰামে কি ৰাজ্য-সম্পত্তি পুত্ৰক নেদি ভৰতক দিব? এভো পুনু পুনু বোলো আপদত নমজিবি। ৰাজাক পূৰ্ব্বসত্য সুমৰাই ৰামক বনে পঠাই ভৰতক ৰাজা কৰ।

জানা বাল্মীকি, দুৰ্জ্জনৰ সঙ্গত সন্তৰো মতি নষ্ট হুৱে। অসন্তৰ মতি নষ্ট হৈব হেন কি কহব? কুঁজীৰ বোলে চিত্ত বিহড়ি ক্ৰোধৰ গৃহে পশি মুক্তকেশে ভূমিত লুটি ৰামৰ গুণ স্মৰি আপুনাক গৰিহা কৰি ৰহিলা। স্ত্ৰীৰ হেনয় চৰিত্ৰ ঃ জাত অতি অনুৰক্ত তাত তিলেকে বিৰক্ত। এতেকেসে বিৱেকীসৱে স্ত্ৰীত বিশ্বাস নাহি কৰে। তদন্তৰে দশৰথ ৰাজা কৈকেয়ীৰ ঠানে জাই দেখিল ঘনে ঘনে শ্বাস জোকাৰি মাটি লুটি ধূলি-ধূসৰিত হৈয়া বিলাপ কৰে থিক। পেখি ৰাজা মহাদুখিত হুয়া প্ৰিয়াক আশ্বাস কয়ে বোলল ঃ হে প্ৰিয়ে, তোহাৰ জিজনে বিপক্ষ চিন্তিলে, তাৰ প্ৰাণান্তিক দণ্ড কৰো। মই তোৰ স্বপ্নতো

মন্দ নাহি চিন্তো। কিক হেন বিলাপ কৰ? উঠহ, উঠহ। হে প্ৰিয়ে, তোহো কি প্ৰিয় বাৰ্ত্তা নাহি জানহ। প্ৰভাতে শ্ৰীৰামক ৰাজ্য অভিষেক কৰো। এতেকে সৱ অপমান ছাড়ি আনন্দ কৰ। ৰাজাৰ বাক্য সুনি কুঁজীৰ উপদেশ অভিনন্দা কৰি ৰাজাক বুলিল ঃ জেবে মোৰ প্ৰীতি সাধিবা তেবে সত্য অঙ্গীকাৰ কৰা। ৰাজা বোলন্ত ঃ এৱমস্তু। কৈকেয়ী বোলন্ত ঃ পূৰ্ব্বে মোক বৰ দুই দিতে তুমি সত্য কৰিছা। এখন সোহি বৰ দুই দিয়া। ৰামক ৰাজ্য নেদি ভৰতক ৰাজ্যভাৰ দিবা। আৰ বৰে ৰামক, ভাতৃ-ভাৰ্য্যা সমে চৈধ্যয় বৰ্ষক লাগি বনে খেদিবা। তেবে মোৰ প্ৰীতি হৱে।

কৈকেয়ীৰ বোল সুনি ৰাজাৰ মাথে যেন বজ্ৰপাত ভৈল। মূৰ্চ্ছা গৈয়া ভূমিত পড়ি চেতন পাই আপুনাক গৰিহা কৰি কৈকেয়ীক দুৰ্বাক্য বুলিলা। পুনু চৰণত ধৰি অনেক কাকুতি বুলিলা। কৈকেয়ীৰ চিত্ত নটলিল। ৰাজাক বোলন্ত ঃ তুমি সূৰ্য্যবংশৰ শিৰোমণি হুয়া জেৱে সত্য চড়াহ, উপৰি বংশ সমে তেবে নৰকে ভুঞ্জিৱা। ময়ো তুমি বিদ্যমানে প্ৰাণ ছাড়িবো। কৈকেয়ীৰ নিষ্ঠুৰ বাণী সুনি ৰাজা হিয়ে মুষ্টি হানি ৰামৰ গুণ বৰ্ণাই আপুনাক গৰিহা কৰি নানা বিলাপ কৰিলা। এমন ৰাজাৰ দুখে ৰজনী প্ৰসন্ন ভৈল। পাত্ৰ-মিত্ৰ, মন্ত্ৰী-পুৰোহিতসৱে শ্ৰীৰামৰ অভিষেক উচিত নিয়োগ কৰি অন্তষ্পুৰ দ্বাৰত মিলিলা। সৱেহন্তে সুমন্তক অভ্যন্তৰক পাঞ্চিলা। সুমন্ত জাই দ্বাৰহন্তে উচ্চ স্বৰে বুলিলা ঃ হে ৰঘু-কুল কমল-দিৱাকৰ, নৰেন্দ্ৰ- বৃন্দ-বন্দিত-চৰণ সৰোজ, উঠহ, উঠহ। শ্ৰীৰামৰ অভিষকৰ উচিত কাল ভৈল। সুমন্তৰ বাক্য সুনি ৰাজা বোলন্ত ঃ হে মন্ত্ৰীবৰ, এখন শ্ৰীৰামক এথা মিলাৱ।

সুনি সুমন্তে শীঘ্ৰ-গমনে ৰামচন্দ্ৰৰ আৱাস পাইল। জাত ফটিকৰ স্তম্ভ উৰ্দ্ধে নানা ৰত্নে ৰঞ্জিত চাল, তাহাৰ উপৰে সুৱৰ্ণ-কুম্ভ, দণ্ড-নিৰ্ম্মিত বাৰ, কুন্দ্ৰাক্ষ জালাৰপৰা অগৰু ধূপৰ ধূম বঝাই দশোদিশ সুবাসিত হৈয়াছে, কুড়িৰ ভিতৰে বাঝে নানাবিধ ৰত্ন, পুত্ৰিকাসৱে হাতে হাতে মহাৰত্নগণ ধৰিছে, সে নিমিত্তে তম দূৰ হৈয়াছে, গৰুড় স্কন্ধত লক্ষ্মী-সৰস্বতী সমে বিষ্ণু, হংস-যানে ব্ৰহ্মা, উমা সমে বৃষভত হৰ, আনো দেৱনায়ক সৱ ভাৰ্য্যা, বাহন সমে তহিতে নিৰ্ম্মাণ কৰিছে, দাসী-দাসসৱে জৈছে গন্ধৰ্ব্বৰ কুমাৰ-কুমাৰী আয়াজাত কৰি সীতা-ৰামচন্দ্ৰৰ নিয়োগত ৰহিছে, থানে থানে সুমঙ্গল কাৰ্য্য-কল্পনা কৰিছে, দেৱ-দানৱৰ বিশ্বকৰ্ম্মাৰ যত শিল্প-কৰ্ম্ম শ্ৰীৰামচন্দ্ৰৰ ভৱনত নিৰ্ম্মাণ কৰি আছে, সাক্ষাতে দ্বিতীয় বৈকুণ্ঠ।

হেন শ্ৰীৰামৰ ওৱাৰিত পশি সুমন্তে ৰাজ-আজ্ঞা বোলাই ৰথে তুলি শ্ৰীৰাম-লক্ষ্মণক ৰাজাৰ পাশে চলাইলা। নৰ-নাৰীসৱে মহানন্দে মঙ্গল গীত-বাদ্য কৰি চলিলা। উৰ্দ্ধদৃষ্টি প্ৰজাসৱে শ্ৰীৰামৰ মুখপদ্মৰ মধুপান কৰি চলিলা। শ্ৰীৰামো সদয় অৱলোকন কৰি অভ্যন্তৰে প্ৰৱেশি কৈকেয়ীৰ গৃহে ৰাজাক পাই নমস্কাৰ কৰিলা। ৰাজায়ো শ্ৰীৰামক দেখি হা ৰাম বুলি শোকে মূৰ্চ্ছাগত ভৈলা। পিতৃৰ শোক দেখি কৈকেয়ীত পুছিলা ঃ হে মাতৃ, পিতৃৰ শোকৰ নিমিত্তে কহ। তাৰ প্ৰতিকাৰ কৰো। ইন্দ্ৰাদি দিকপালগণে যদি

বাপৰ দ্ৰোহ চিন্তিছে, সে সৰক বান্ধি বাপত ভেণ্টাৱো। যদি পিতৃৰ আজ্ঞা পাও কালে সহিত অন্তকক বন্দী কৰো। যদি পিতৃৰ বাঞ্ছা হৱে, বৃদ্ধভাৱ গুচাই যুৱা-শৰীৰ কৰো। মই পুত্ৰ থাকিতে পিতৃক কোন অসাধ্য আছে? তথাপি পিতৃৰ হেন শোক হৈয়াছে। আমাৰ জীৱন ধিক ধিক। হে মাৱ, বিলম্ব ছাৰি শীঘ্ৰে কহ।

হেন সুনি কৈকেয়ী বোলন্ত ঃ হে কুলনন্দন ৰাম, তুমি পিতৃবৎসল পুত্ৰ থাকিতে স্বৰ্গ-মৰ্ত্ত্য-পাতালৰ কোনজনে দ্ৰোহ চিন্তি কুশল সাধিব। কিন্তু পূৰ্ব্ব সত্য স্মৰি আপুনি দুখিত হৈয়াছে। জৈসানি দেৱক ৰক্ষা কৰি অসুৰ সংহাৰি তোমাৰ পিতৃ অযোধ্যা আসিল, মই অনেক ভক্তিভাৱে শুশ্ৰূষা কৰিলো। মোত তুষ্ট হুয়া বুলিলা, হে প্ৰিয়ে, হামু সত্য কৰিছি, যদি তোৰ পুত্ৰ হৱে তাক ৰাজ্য-সম্পত্তি দিবো, যদি বা জ্যেষ্ঠ থাকে তাক বনবাস দিবো। এখনো ৰাজাৰ সোহি অভিপ্ৰায় হৈয়াছে। তোহাৰ ৰাজপদত অভিলাষ দেখি ৰাজা সত্য ছাড়িতে নপাৰি বিকল হৈয়াছে। যদি তুমি পিতৃবাক্য পালিবা তেবে শিৰে জটা ধৰি বাকলি পৰিধান কৰি চৈধ্যয় বৰ্ষ বনবাস কৰা। তেবে ৰাজাৰ চিত্ত সন্তোষ হৱে।

ইতি শ্ৰীৰামায়ণ-কথায়াং অযোধ্যা-কাণ্ডে দ্বিতীয়োহধ্যায়ঃ।।

হে লোকসৱ, দেখু শ্ৰীৰাম হেন প্ৰিয় পুত্ৰকো দশৰথ ৰাজা অধৰ্ম্মত ভয়ে নিৰ্ব্বস দিলা জাতো সত্য মাত্ৰ মহাধৰ্ম্ম। সত্যৰহিতজনৰ ধৰ্ম্ম-কৰ্ম্ম সকল ব্যৰ্থ। এতেকে সত্যতে থাকি শ্ৰীৰামে চিত্ত দিয়া নিৰন্তৰে হৰি বোল হৰি।

নাৰদে কহন্ত ঃ জানা বাল্মীকি কৈকেয়ীৰ বাণী সুনি শ্ৰীৰাম বোলন্ত ঃ হে মাই, ই কেনে কাৰ্য্য? জাক ৰাজ্য-পদ বুলি, ই কেৱল আপদৰ আশ্ৰয়, জাতো তাতে বদ্ধ হুয়া অপাৰ সংসাৰত মজে। যাকে বনবাস বুলি, সে পুনু মুক্তসৱৰো আশ্ৰয়। এতেকে যদি পিতৃৰ এহি অভিপ্ৰায়, তেবে শীঘ্ৰে ভৰতক অনায়ো। একহি কাৰ্য্যক মাত্ৰ হৃদি তাপ কৰে। অনাথিনী কৌশল্যা মাৱক কোনে প্ৰতিপালন কৰিব?

এতেকে বোলন্ত বোলন্তে ৰাজাৰ অধিক অনুতাপ দেখি বুলিলা, হে বাপ লোক-নাথ, সন্তাপ ছাড়ি প্ৰসন্ন বদনে মোক চাহা। আৰকি তোমাৰ এ বদনক মই মন্দভাগী বন হন্তে আসি পেখবো। এতেকে প্ৰসন্ন বদনে চাই হামাক আশিষা বোলহ। এখন বনক প্ৰতি চলো।

ৰামৰ কথা সুনি ৰাজা অতি বিকল ভৈলা। কৈকেয়ী বোলন্ত ঃ হে ৰঘুনাথ, জাৱে তই বনে নাহি চল, তাৱে ৰাজাৰ স্বস্থ নাহি।

কৈকেয়ীৰ বাণী সুনি শ্ৰীৰামে বোলন্ত ঃ হে মাতৃ, তুমি ছলবাদে ৰাজাক কেনে হেন তাপ দিলা? ই কাৰ্য্য মোত কেনে নুবুলিলা? ই কোন তুচ্ছ চক্ৰৱৰ্ত্তী-পদ? ভৰতক লাগি প্ৰাণকো দিতে পাৰো।

শ্ৰীৰামচন্দ্ৰৰ সাত শত মাৱে সুনি তথা আসি কৈয়েয়ীক গৰিহা কৰিলা। কৌশল্যাত কহিতে কোনোজনে নপাৰিল। তথায়ে শোকে ৰহিল।

শ্ৰীৰামে পিতৃক নমস্কাৰ কৰি কৌশল্যা মাৰত সৱ বৃত্তান্ত কহিলা। কৌশল্যা মূৰ্চ্ছিত হুয়া ভূমিত পৰিলা। হেন দেখি শ্ৰীৰাম লক্ষ্মণে হা হা বুলি মাতৃক তুলিলা। কৌশল্যা চেষ্টা পাই ৰামৰ গলে ধৰি বোলন্ত ঃ হে বাপ, কুলনন্দন, তই বনে নজাইবি। মোৰ মৃত্যু মিলিব। কৈকেয়ী-ৰাক্ষসী স্বামীক ভুঞ্জিবে চিন্তিল। হা হা বিধি, স্বামী-বিদ্যমানে মোৰ জেবে মৃত্যু মিলে, তেবে ধন্য জীৱন। হে বাপ ৰামচন্দ্ৰ, তোমাকেসে ৰাজ্য দিতে ৰাজাৰো চিত্ত। কিন্তু বৃদ্ধ দশৰথ স্ত্ৰী-জিত। তান বাক্য নধৰি ৰাজ্যে ৰহ।

লক্ষ্মণে বোলন্ত ঃ হে মাতা, উচিত বুলিলা, হামাৰো এহি চিত্ত। তোমাৰ বনবাস সুনি চিত্তত হেন চিন্তিছি। যদি তৱ ইঙ্গিত পাও তেবে কৈকেয়ী-ৰাক্ষসীক কাটি খণ্ড খণ্ড কৰো। যদি সসৈন্য ৰাজা পাপিষ্ঠীৰ পক্ষ হৰে তাহাঙ্কো উচিত ফল দিবো। মাতৃৰ শোকে যদি ভৰতে মাতুল সমে যুদ্ধক আসে, হেন কোটি ভৰতকো তৱ প্ৰসাদে শঙ্কা নাহি। আৰ ভৰতৰ সখা হুই ইন্দ্ৰোবা আসে, দুৰ্জ্জয় তব দাস লক্ষ্মণৰ কি ছাই উড়াইতে শকত হৈব?

কৌশল্যা বোলন্ত ঃ হে বাপ ৰামচন্দ্ৰ, তব অনুগত লক্ষ্মণৰ বাক্য ছাড়িতে উচিত নহে। আততায়ীৰ বধে কিছু দোষ নাহি। পূৰ্ব্বে কাশ্যপে মাতৃবাক্যত ৰহি অক্ষয় স্বৰ্গ লভিলা। ইন্দ্ৰে মাতৃবাক্যত থাকি সপত্নী ভাতৃগণক বধিও দোষ নলভিলা কিন্তু ত্ৰৈলোক্য পূজ্য ভৈলা। আনো নানা যুক্তি বুলিলা।

কৃতাঞ্জলি শ্ৰীৰামে বোলন্ত ঃ হে মাতৃ, বাপৰ বাক্য জেৰে মই হেন পুত্ৰে বাধিবো তেবে সবাৰে গৰিহিত ভৈলো। চৈধ্যয় বৰ্ষ মাত্ৰ বনক পিতৃৰ আদেশ হুই আছে। যদি মৰণাৱধি বনবাসক বোলে তথাপি পিতৃবাক্য ছাড়িতে উচিত নহে। ইহাকে হামো ভালে জানি। সপত্নী মাতৃৰ বাক্য সত্য-পাশত মোহোৰ বিৰহাগ্নিত দগ্ধ শৰীৰ পিতৃ হৈয়াছে। হেনতো পিতৃক প্ৰতিপালন নকৰি জেবে মন্দ বোলা, হে মাতৃ, তেবে মোৰ মাথা খাহা। পৰশুৰাম পিতৃবাক্য পালি মাতৃকো কাটিলা। আৰো চণ্ড নামে ঋষি পিতৃবাক্য পালি গো-বধ কৰিলা। গুৰুবাক্যত থাকি অধৰ্ম্ম কৰিও পুণ্যকেসে পায়। এতেকে পিতৃবাক্য পালি বনে চলো। হে মাতৃ, বিদায় কৰিলো, আশীৰ্ব্বাদ বোলা।

হে সুনি ক্ৰোধে লক্ষ্মণে বোলন্ত ঃ ক্ষত্ৰিয়-জাতি হুয়া নপুংসক বৃত্তি ধৰিলা। যদি তোমাৰ বলৱন্ত দৈৱ মত্তকুঞ্জৰ, তথাপি মোৰ পৌৰুষ অঙ্কুশে পৰিৱৰ্ত্ত কৰিবো। বিধাতাৰো লিখিত ব্যৰ্থ কৰিবো। নানা যজ্ঞে হৰিক ভজিবো। তান প্ৰসাদে মাতৃহত্যা পিতৃবাক্য অপালন দোষ তৰিবো। মহন্তসৱ শোকাগ্নিত ক্ষেপি তুহু অৰণ্যে নাহি চলিব। শ্ৰীৰামে বোলন্তঃ হে বাপ লক্ষ্মণ, জি হৰিক পূজি চাৰি পদ পাই, জাৰ ভক্তিয়ে মুকুতিকো তুচ্ছ কৰে, হেন হৰিক যদি বনবাস এড়াইতে সাধিবো, তেবে সাধুসৱে সুনি হাস্য কৰিব। লক্ষ্মণে বোলন্ত ঃ তুমি বনে চলিবা, আত সংশয় নাহি। মই তৱ সঙ্গে জাইবো, ফলমূল যোগাইবো। ৰামে বোলন্ত ঃ হে বাপ, তই ৰাজপুত্ৰ, বনবাসে তপস্বীৰ বৃত্তি ধৰি কেমনে প্ৰৱৰ্ত্তিবি। কৌশল্যা সুমিত্ৰা মাৰক প্ৰতিপালন কৰি এথা সুখে ৰহ। লক্ষ্মণে বোলন্ত ঃ হামু সত্যে সত্যে চলবো। যদি নাহি বোলা তেবে প্ৰাণ ছাড়িবো। হেন সুনি শ্ৰীৰামে

বোলন্ত ঃ হে বাপ, তোৰ যেমন বাঞ্ছিত, সে কৰ। কিন্তু তোৰ দুঃখ স্মৰিহে বাধা কৰো।

সোহি সময়ে সুমিত্ৰাও সৱ বৃত্তান্ত সুনি তথায়ে আসি বোলন্ত ঃ হা হা, কোন কৰ্ম্ম-বিপাকে শ্ৰীৰাম-লক্ষ্মণ পুত্ৰক হৰুৱাও। পুনু কৌশল্যা তাপ কৰি বোলন্ত ঃ হে বাপ, সতিনীৰ বাক্যে তুমি কেনে বনে জাইবা? মোৰ বাক্য ছাড়িতে কি উচিত হৱে? মনু-বাক্য কি নাহি সুনি। দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ। হেন মহাগুৰুৰ বাক্য তোৰ পালিতে উচিত। ৰাজাৰ বাক্য পালিলে অৱশ্যে ৰাজাৰ মৃত্যু হৈব। বাক্য ছাড়িলে ৰাজাৰ প্ৰাণ ৰহিবে। তথাপি যদি বনে জাইবা, হামাকো বনে নেৰ। অন্যথা প্ৰাণ ছাড়িবো। শ্ৰীৰামে বোলন্ত ঃ তোমাৰ আমাৰো মহাগুৰু দশৰথ ৰাজা। তান বাক্য বাধিতে উচিত নহে। তুমি স্বামী সেৱায়ে ৰহ। হামো নিৰ্ব্বাসে চলো। কৈকেয়ীতো দোষ নেদিবা। আপুন পুত্ৰক ৰাজা কৰিতে কাহাৰ চিত্ত নাহি? তথাপি সৱাৰে দৈৱেসে কাৰণ। তথাপি মাতৃৰ আক্ৰোশ দেখি শ্ৰীৰামে বোলন্ত ঃ উজ্জ্বল কুলত জাত ৰাজা দশৰথ, তুমিও উত্তম কুলত জাত মহাশান্তী। হেন দুইহন্তত জাত মই ৰঘুনাথৰ পিতৃবাক্য ছাড়িতে কি যোগ্য হৱে। ঈশ্বৰৰ ইচ্ছা জানি মাতৃ অনুজ্ঞা দিয়া।

শ্ৰীৰামৰ যুক্তি বাক্য সুনি কৌশল্যা পূৰ্ব্বাপৰ জিজ্ঞাসা কৰি অনুমতি দিলা, আচান্ত কৰি বিষ্ণুপূজা বিসৰ্জ্জি মহামঙ্গল বিষ্ণু স্মৰি ৰাম-লক্ষ্মণৰ শিৰে ৰক্ষা বান্ধিলা, বিষ্ণুৰ নিৰ্ম্মাল্য শিৰে পিন্ধাইলা। সোঁশৰীৰে বিষ্ণুমন্ত্ৰ-কৱচ বান্ধিলা। আনো আশীৰ্ব্বাদ বুলি আপুনাৰ পদধূলি ৰাম-লক্ষ্মণৰ শিৰে দিয়া বোলন্ত ঃ মোৰ আশীৰ্ব্বাদে চৈধ্যয় বৰ্ষ কোনো প্ৰমাদে নপাইব। জি বিষ্ণু সৱাতে অন্তৰ্য্যামী ৰূপে আছা, সোহি বিষ্ণুৱে সৱাতে ৰক্ষা কৰোক। ইত্যাদি কৰি আশীৰ্ব্বাদ বুলি শিখা দিলা। তোৰা দুইহন্তে আকাশ-পৱনৰ থানে প্ৰীতিয়ে ৰহিবা। মোৰ বৰে সৱ দুগতি তৰিবা। এহি হোক বুলি শ্ৰীৰাম-লক্ষ্মণে মাতৃক প্ৰদক্ষিণ কৰি সীতাৰ মন্দিৰে গৈলা।।

ইতি শ্ৰীৰামায়ণে অযোধ্যা-কাণ্ড-কথায়াং তৃতীয়োহধ্যায়ঃ।।

হে লোকসৱ, দেখু দেখু শ্ৰীৰামদেৱৰ মাতৃ কৌশল্যা হেন শান্তীৰো পুত্ৰ-বিয়োগ-দুখ মিলিল। আৰ সামান্যৰ কি কহবো। হেন জানি এসৱ পুত্ৰ-মিত্ৰাদিত মমতা ছাড়ি উচ্চ কৰি হৰি বোল হৰি।।

## ২.৪.২ সাধাৰণ আলোচনা

আমাৰ আলোচনাৰ বাবে নিৰ্বাচিত এই পাঠাংশ *কথা ৰামায়ণ*ৰ অযোধ্যা-কাণ্ডৰ, দ্বিতীয়-তৃতীয় অধ্যায়ৰ অন্তৰ্গত। এই কথা ইতিমধ্যে কৈ অহা হৈছে। ইয়াত ৰজা দশৰথে ৰামৰ ৰাজ-অভিষেক কৰিবলৈ যো-যা কৰাৰ পাচৰে পৰা অযোধ্যাত সংঘটিত ঘটনাৰাজিৰ বৰ্ণনা কৰি কেনেদৰে ৰামে বনলৈ গমন কৰিবলগীয়া হ'ল সেই বিষয়ে বিশদভাৱে উল্লেখ আছে। ইতিমেধ্যই উল্লেখ কৰি অহা হৈছে যে ৰঘুনাথ মহন্তই

অতি সংক্ষিপ্তভাৱেহে *ৰামায়ণ*ৰ কথাখিনি বৰ্ণনা কৰিছে আৰু *কথা ৰামায়ণ*খন কথোপকথনৰ আৰ্হিৰে লিখা। নাৰদ মুনিয়ে যেন বাল্মীকিক এই ঘটনাৰাজি কৈ আছে তেনে এক আভাস দাঙি ধৰি অধ্যায়টো আৰম্ভ কৰিছে।

ৰামৰ ৰাজ-অভিষেকৰ খবৰ চহৰত প্ৰচাৰ হোৱাৰ লগে লগে চাৰিওফালে অনন্দ উৎসৱৰ আৰম্ভ হৈছে। সেই বতৰা পাই কৈকেয়ীৰ এগৰাকী কুঁজী দাসী মন্থৰাই দুখ মনেৰে আহি কৈকেয়ীক সেই বতৰা দিছেহি। কৈকেয়ীয়েও খবৰটো শুনি আনন্দ পাই কুঁজীক কণ্ঠহাৰ এফেৰি দিয়ে। কিন্তু মন্থৰাই সেই হাৰডাৰ দলিয়াই পেলাই দিয়ে আৰু “হা হা, মই কি দোষৰ ফলে তোৰ সঙ্গত পৰি ৰহিলো। জাতো তোৰ সুখ নেদেখিলো।” বুলি কৈ তাইৰ ৰূপ-যৌৱনক ধিক্কাৰ দি সতিনীৰ পুতেক ৰজা হোৱাত আনন্দ কৰিবলগীয়া নাই বুলি গালি পাৰে। ৰাম ৰজা হ'লে ভৰত কি হ'ব বুলি সুধে। সেই কথা শুনি কৈকেয়ীয়ে কয় যে ৰামচন্দ্ৰই মাকতকৈ তাইক বেছি সন্মান, ভক্তি কৰে আৰু তায়ো ৰামক ভৰততকৈ অধিক চেনেহ কৰে। কৈকেয়ীৰ উত্তৰ শুনি কুঁজীয়ে তাইক পুনৰ গালি পাৰি তাইৰ বাপেকৰ উদাহৰণ দি ক'লে যে তেওঁ নিজেই দেখুন ভায়েকক ৰজা নাপাতি পুতেকক হে ৰজা পাতিছে, ঠিক সেইদৰে ৰামেও পাচত পুতেকক ৰজা নাপাতি ভৰতক ৰজা পাতিবনে? সেয়ে এতিয়া কৈকেয়ীয়ে ৰজাক পূৰ্ব সত্য মনত পেলাই দি ভৰতক ৰজা পাতি ৰামক বনলৈ পঠিয়াবলৈ উপদেশ দিয়ে।

কুঁজীৰ মন্ত্ৰণা শুনি লেখক ৰঘুনাথ মহন্তয়ো আন বৈষ্ণৱ কবিসকলৰ দৰে কাৰ্যকৰণ সম্পৰ্কে টিপ্পনী প্ৰদান কৰি কৈছে যে দুৰ্জ্জনৰ লগত থাকিলে সন্তৰো মতি নষ্ট হয়, অসন্তৰটো কথা নাই। কৈকেয়ীয়ে কুঁজীৰ মন্ত্ৰণা মতেই মাটিত লেটি লৈ কান্দি থাকিবলৈ ধৰিলে। ৰজা দশৰথে আহি কৈকেয়ীক সেই অৱস্থাত দেখি কি হৈছে সেই বিষয়ে প্ৰশ্ন কৰি কোনোবাই কিবা কৰিছে যদি উচিত দণ্ড প্ৰদান কৰিম বুলি আশ্বাস প্ৰদান কৰে। লগতে ৰামৰ ৰাজ-অভিষেক কৰিব বিচৰা খবৰটো প্ৰদান কৰে। ৰজাৰ কথা শুনি কৈকেয়ীয়ে মন্থৰাৰ উপদেশ মতে কথাৰে ৰজাৰ বান্ধিলৈ পূৰ্বৰ কথা সোঁৱৰাই বৰ দুটি তেতিয়াই প্ৰদান কৰিবলৈ অনুৰোধ কৰে। কৈকেয়ীয়ে বিচৰা প্ৰথম বৰ মতে — ৰামৰ পৰিৱৰ্তে ভৰতক ৰজা পাতিব লাগে আৰু দ্বিতীয় বৰ অনুসৰি ভাতৃ-ভাৰ্যাসহিতে ৰামক চৈধ্য বছৰৰ বাবে বনলৈ পঠিয়াব লাগে।

কৈকেয়ীৰ কথা শুনি ৰজা মূৰ্চ্ছিত হৈ পৰে, পুনৰ চেতনা পাই এই বৰ নিবিচাৰিবলৈ বাবে বাবে অনুৰোধ কৰে। কিন্তু কৈকেয়ী কোনো কথাতে মান্তি নহয় আৰু ৰজাক সত্য ৰক্ষা নকৰিলে উপৰি পুৰুষসহিতে সকলো নৰকত ভুঞ্জিব বুলি মত পোষণ কৰি তায়ো মৃত্যু বৰণ কৰিব বুলি জনায়। ৰজা দুখে-শোকে জৰ্জ্জৰিত হৈ ভূমিত পৰি থাকে আৰু এনেদৰেই গোটেই ৰাতিটো পাৰ হয়। ৰাতিপুৱালত পাত্ৰ-মিত্ৰ, মন্ত্ৰী-পুৰোহিতসকলে অন্তেষপুৰত লগ হৈ ৰজাক মাতিবৰ বাবে সুমন্তক ভিতৰলৈ পঠিয়ায়। ৰজাই সুমন্তক শ্ৰীৰামক সেই সময়তেই তালৈ লৈ অনিবলৈ আদেশ কৰে।

ৰজাৰ আদেশ পাই সুমন্তই ৰামৰ আৱাসলৈ যায়। ইয়াৰ পাচতেই অসমীয়া কবিয়ে বৰ সুন্দৰভাৱে ৰামৰ ৰাজপ্ৰাসাদৰ বিৱৰণ দাঙি ধৰি ৰাম যে ভগৱন্ত পুৰুষ তাৰ ধাৰণা প্ৰদান কৰি তেওঁৰ প্ৰাসাদ সম্পৰ্কে কয়— "সাক্ষাতে দ্বিতীয় বৈকুণ্ঠ।" বৈকুণ্ঠত ভগৱান থাকে, ৰামৰ আৱাস সাক্ষাত দ্বিতীয় বৈকুণ্ঠ বুলি কৈ ৰাম যে ভগৱন্তৰ ৰূপ সেই ধাৰণা আমাক প্ৰদান কৰে।

ৰজাৰ আদেশ মৰ্মে সুমন্তই শ্ৰীৰামক লগতলৈ কৈকেয়ীৰ গৃহলৈ যাত্ৰা আৰম্ভ কৰে আৰু নগৰৰ জনতাইও আনন্দ মনেৰে সেই যাত্ৰাত যোগ দিয়ে। ৰামে কৈকেয়ীৰ গৃহত উপস্থিত হৈ বাপেকৰ ওচৰলৈ যায় আৰু ৰজাই ৰামক দেখি 'হা ৰাম' বুলি কৈ মূৰ্চ্ছিত হৈ পৰে। বাপেকৰ তেনে অৱস্থা দেখি ৰামে কৈকেয়ীক তাৰ কাৰণ সোধে — "ইন্দ্ৰাদি দিকপালগণে যদি বাপৰ দ্ৰোহ চিন্তিছে, সে সৱক বান্ধি বাপত ভেণ্টাৱো। যদি পিতৃৰ আজ্ঞা পাও কালে সহিত অন্তকক বন্দী কৰো। যদি পিতৃৰ বাঞ্ছা হৱে, বৃদ্ধভাৱ গুচাই যুৱা-শৰীৰ কৰো। মই পুত্ৰ থাকিতে পিতৃক কোন অসাধ্য আছে? তথাপি পিতৃৰ হেন শোক হৈয়াছে। আমাৰ জীৱন ধিক ধিক।"

সেই কথা শুনি কৈকেয়ীয়ে ক'লে যে সেইবোৰ কোনো কাৰণে নহয়; ৰজাই পূৰ্বতে দেৱতাৰ হৈ অসুৰৰ বিপক্ষে যুঁজ কৰি অযোধ্যাত উপস্থিত হোৱাৰ পাচত তই বহু যত্নৰে শুশ্ৰুষা কৰিছিল। তেতিয়া ৰজাই দুটা বৰ প্ৰদান কৰিছিল। এই বুলি কৈকেয়ীয়ে তাই ৰজাৰ পৰা বিচৰা বৰ দুটিৰ কথা উল্লেখ কৰে। লগতে কয় যে ৰামে সিংহাসন আশা কৰিছে বাবেই ৰজাৰ তেনে অৱস্থা হৈছে আৰু ৰাম বনলৈ গ'লেই তেওঁৰ ঠিক হৈ যাব। এইখিনিতে ৰঘুনাথ মহন্তই অযোধ্য-কাণ্ডৰ দ্বিতীয় অধ্যায়ৰ সমাপ্ত কৰি অধ্যায়ৰ শেষত বৈষ্ণৱ কবিকূলৰ দৰে ভগৱন্তৰ শ্ৰীচৰণত নিজকে সমৰ্পণ কৰিবলৈকো মনত পেলাই দিছে।

ইয়াৰ পাচতেই পুনৰ নাৰদে বাল্মীকিক কাহিনী কৈ থকাৰ আৰ্হিৰেই তৃতীয় অধ্যায়ৰ আৰম্ভ কৰিছে। কৈকেয়ীৰ কথা শুনি ৰামে বাপেকৰ যদি সেয়ে অভিপ্ৰায় তেন্তে তেওঁ অতি আনন্দ মনৰে সেয়া পালন কৰিব বুলি জনায়। কেৱল মনত এটাই দুখ ৰ'ব — কৌশল্যা মাকক কোনে প্ৰতিপালন কৰিব? এয়া ৰামৰ মাতৃভক্তিৰ এক নিদৰ্শন।

ৰামৰ কথা শুনি ৰজাৰ দুখত অধিক কাতৰ হয় আৰু ৰামে সেয়া দেখি বনলৈ যাবলৈ আজ্ঞা বিচাৰে। সেই কথা শুনি কৈকেয়ীয়ে ক'লে যে ৰাম গলেই ৰজা সুস্থ হৈ উঠিব। কৈকেয়ীৰ কথা শুনি ৰামে ক'লে যে কৈকেয়ীয়ে এনে ছলনা কৰি ৰজাৰ কষ্ট দিব নালাগিছিল। তেওঁক কোৱা হ'লেই হ'লহেতেন, তেওঁ ভায়েক ভৰতৰ বাবে প্ৰাণ দিব পাৰে, চক্ৰৱৰ্ত্তী পদটো একেবাৰে তুচ্ছ। এয়া ৰামৰ ভাতৃ প্ৰেমৰ পৰিচায়ক।

ইতিমধ্যে কৌশল্যাৰ লগতে লক্ষ্মণো আহি তাত উপস্থিত হয়হি। তেওঁক কোনেও কথাবোৰ জনাব পৰা নাছিল। কেৱল সকলোৱে কৈকেয়ীক গৰিহণা দি হে আছিল। ৰামে সকলো কথা মাক কৌশল্যাক ক'লে আৰু সেই কথা শুনি তেৰোঁ মূৰ্চ্ছিত

হৈ পৰে। ৰাম-লক্ষ্মণে মাকক তুলি ধৰে আৰু মাকে সুস্থ হৈ ৰামক বনলৈ নাযাবলৈ অনুৰোধ কৰে তথা কৈকেয়ীক গালি পাৰিবলৈ ধৰে। দশৰথকো তিৰোতাসেৱী বুলি কয়। সেই সময়তে লক্ষ্মণেও উজান দি ককায়েকৰ পৰা কৈকেয়ীক হত্যা কৰাৰ আদেশ বিচাৰে। লাগিলে ৰজা দশৰথেও যদি বাধা দিয়ে তেওঁকো মাৰিব আৰু ভৰতে মোমায়েক সহিতে আহি যুদ্ধ কৰে তেতিয়া তাকো মাৰিব বুলি কয়। আনকি ইন্দ্ৰাদি দেৱতাগণেও যদি ভৰতক সহযোগ কৰে তেতিয়াও লক্ষ্মণক হৰোৱাব নোৱাৰে বুলি ব্যক্ত কৰে।

কৌশল্যাও লক্ষ্মণৰ কথাত হয়ভৰ দি “আততায়ীৰ বধে কিছু দোষ নাহি।” বুলি কৈ মাতৃবাক্য পালিলে ভুল নহয় বুলি যুক্তি আগ বঢ়ালে। তেতিয়া ৰামে কৰযোৰে কয় যে তেওঁ বাপেকৰ বাক্য মানি বনলৈহে যাব বিচাৰে। কথাৰ প্ৰসংগত পৰশুৰাম, চণ্ড ঋষিৰ পিতৃবাক্য পালন কৰাৰ উদাহৰণ দাঙি ধৰি ৰামে মাকক ৰজা দশৰথৰ শুশ্ৰূষা কৰিবলৈহে অনুৰোধ কৰে।

ৰামৰ কথা শুনি লক্ষ্মণে ক্ৰোধান্বিত হৈ ক্ষত্ৰিয় হৈও নপুংসকৰ দৰে কৰিছে বুলি মন্তব্য কৰি ৰামক বনলৈ নাযাবলৈ কৈ যুদ্ধত লিপ্ত হ’বলৈ আহ্বান কৰে। কিন্তু ৰামে নিজৰ মহিমাৰ কথা ব্যক্ত কৰি কয় — “জি হৰিক পূজি চাৰি পদ পাই, জাৰ ভক্তিয়ে মুকুতিকো তুচ্ছ কৰে, হেন হৰিক যদি বনবাস এড়াইতে সাধিবো, তেবে সাধুসৱে সুনি হাস্য কৰিব।” ৰামৰ যুক্তি মানি লৈ লক্ষ্মণে যুদ্ধ নকৰি ৰামৰ সৈতে বনলৈ যাবলৈ বিচাৰে। ৰামে বিভিন্ন কথাৰে লক্ষ্মণক সেই কাৰ্যৰ পৰা আঁতৰাই ৰাখিব বিচাৰে। কিন্তু লক্ষ্মণ মান্তি নহয়; কিন্তু পৰিশেষত ৰামে লক্ষ্মণো বনলৈ লগত যোৱাত মত দিলে। মন কৰিবলগীয়া যে ৰাম যে ভগৱন্তৰ ৰূপ সেই কথা এইখিনি সময়ত কোৱা কথাটো মূল *ৰামায়ণ*ত নাই। এয়া অসমীয়া কবিৰ নিজা কথা তথা ৰামভক্তিৰ নিদৰ্শন বুলি অনুমান কৰাত অলপো অসুবিধা নহয়।

সেই সময়তে সুমিত্ৰা মহাৰাণী তাত আহি উপস্থিত হয়হি আৰু সকলো কথা শুনি দুখঃ সাগৰত নিমৰ্জ্জিত হয়। মাতৃ কৌশল্যাই পুনৰ দুখেৰে ৰামক মনু বাক্যৰ দোহাই দি “দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ। হেন মহাগুৰুৰ বাক্য তোৰ পালিতে উচিত। ৰাজাৰ বাক্য পালিলে অৱশ্যে ৰাজাৰ মৃত্যু হৈব। বাক্য ছাড়িলে ৰাজাৰ প্ৰাণ ৰহিবে।” বুলি কৈ বনলৈ যাবলৈ বাৰণ কৰিব বিচাৰে। কিন্তু, ৰামে পিতৃবাক্য পালন কৰি বনলৈ যাবলৈহে বিচাৰে আৰু কৈকেয়ীক দোষ নিদিবলৈ কয়। প্ৰত্যেক গৰাকী মাতৃয়ে নিজৰ পুতেকৰ ভাল হোৱাতো বিচাৰে সেয়ে তেওঁ তেনে কৰিছে বুলি বুজনি দিয়ে। তথাপিতো মাক কৌশল্যাই মানি নোলোৱাত “ঈশ্বৰৰ ইচ্ছা জানি মাতৃ অনুজ্ঞা দিয়া।” বুলি অনুৰোধ কৰে।

অৱশেষত ৰামৰ যুক্তিপূৰ্ণ কথা শুনি কৌশল্যা মান্তি হয় আৰু বনত থকা কালত বিঘিনি নাশ হ’বৰ বাবে কৰা বিভিন্ন ধৰ্মীয় কৃত্য কৰি ৰাম-লক্ষ্মণক বনলৈ যাবলৈ আজ্ঞা প্ৰদান কৰে। তাৰ পাছতেই শ্ৰীৰাম-লক্ষ্মণে মাতৃক প্ৰদক্ষিণ কৰি সীতাৰ গৃহলৈ

ৰাওনা হয়। এইখিনি বৰ্ণনাৰে তৃতীয় অধ্যায়ৰ সামৰণি মাৰি কবিয়ে পুনৰ বৈষ্ণৱ কবিকূলৰ দৰে ভগৱন্তৰ শ্ৰীচৰণত নিজকে সমৰ্পণ কৰিবলৈকো মনত পেলাই দিছে।

এই আলোচনাৰ জৰিয়তে আমি অৱগত হ'লো ৰঘুনাথ মহন্তই তেওঁৰ ৰচনাত ৰামকথা কেনেদৰে ব্যক্ত কৰিছে। মহন্তই ৰামক ভগৱন্তৰ ৰূপ বুলি বিবেচনা কৰি পাঠৰ মাজতেই তাৰ আভাস প্ৰদান কৰিছে। প্ৰসংগক্ৰমে মন কৰিবলগীয়া যে এই পাঠাংশৰ মাজতে অতি কম কথাতে ৰঘুনাথ মহন্তই ৰাম, লক্ষ্মণ, কৈকেয়ী, কুঁজী মন্থৰা, দশৰথ, কৌশল্যা, সুমিত্ৰা আদিৰ চৰিত্ৰ অতি সুন্দৰভাৱে আমাৰ আগত তুলি ধৰাত সাৰ্থকতা লভিছে। তদুপৰি প্ৰয়োজনসাপেক্ষে অসমীয়া লোকপৰম্পৰাৰ কিছু কথা ব্যক্ত কৰিছে। উদাহৰণস্বৰূপে আমি ৰাম বনলৈ যাবলৈ লোৱাৰ সময়ত মাকে বিষ্ণু নিৰ্মাল্য দিয়া, বিষ্ণুমন্ত্ৰ-কৱচ বান্ধি দিয়া, নিজৰ পদধূলি ৰাম-লক্ষ্মণৰ শিৰত দিয়া, যাত্ৰাৰ আগত মাতৃক প্ৰদক্ষিণ কৰি আদি কথা উল্লেখ কৰিব পাৰোঁ। ই আমাৰ সমাজত প্ৰচলিত বৈষ্ণৱ পৰম্পৰাৰো আভাস প্ৰদান কৰে। ঠিক সেইদৰে মনুবাক্যৰ উল্লেখ আদিয়ে সেই সময়ত যে সেয়া প্ৰচলন আছিল সেই ধাৰণা প্ৰদান কৰে। অৱশ্যে, "স্ত্ৰীৰ হেনয় চৰিত্ৰ ঃ জাত অতি অনুৰক্ত তাত তিলেকে বিৰক্ত। এতেকেসে বিৱেকীসৱে স্ত্ৰীত বিশ্বাস নাহি কৰে।" বুলি ব্যক্ত কৰি সেই সময়ত যে নাৰীৰ স্থিতি সমাজত বৰ উচ্চ নাছিল তাৰো প্ৰমাণ দাঙি ধৰে। সৰ্বশেষত এক কথাত ক'ব পাৰি যে অসমীয়া কবিয়ে নিজৰ মূল লক্ষ্য — ৰাম ভক্তি আৰু ৰামৰ শ্ৰেষ্ঠত্বৰ কথাই বাৰে বাৰে ঘোষিত কৰাত সফলতা লাভ কৰিছে।



**চিন্তা-চৰ্চা কৰক— ২.১**

ৰঘুনাথ মহন্তৰ গদ্যৰীতি সম্পৰ্কে ইতিমধ্যে উল্লেখ কৰি অহা বৈশিষ্ট্যসমূহ আপুনি অধ্যয়ন কৰা পাঠাংশত কেনেদৰে ৰক্ষিত হৈছে সেই বিষয়ে বিশ্লেষণ কৰি এটি নিবন্ধ যুগুত কৰিবলৈ যত্ন কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................



**অগ্ৰগতি নিৰীক্ষণ**

**প্ৰশ্ন নং ৫ ঃ** ৰামক দশৰথে মাতিছে বুলি কোনে খবৰ দিবলৈ গৈছিল ?

.......................................................................................................

**প্ৰশ্ন নং ৬ ঃ** মাতৃ কৌশল্যাই মনুৰ কোনটো বাক্যৰ দোহাই দি বনলৈ নাযাবলৈ কৈছিল ?

.......................................................................................................



## ২.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে ৰঘুনাথ মহন্ত অসমীয়া ৰামায়ণী সাহিত্যৰ যুগন্ধৰ ব্যক্তি আছিল। তেওঁ শংকৰদেৱৰ শিষ্য সতানন্দ বৰভকতৰ সপ্তম পুৰুষ আৰু পিতৃৰ নাম আছিল কৃষ্ণনাথ মহন্ত। অৱশ্যে, পুৰণি অসমীয়া সাহিত্যৰ আন আন ৰচনাকাৰৰ দৰে ৰঘুনাথ মহন্তৰো জীৱন সম্পৰ্কে সঠিক সমল পোৱা নাযায়। এই বিষয়ে অধ্যায়টোত বহলাই আলোচনা কৰা হ'ল।
- ৰঘুনাথ মহন্তই তেওঁৰ জীৱন কালত মাত্ৰ তিনিখন কাব্যহে ৰচনা কৰি গৈছে। এই তিনিখন গ্ৰন্থই তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ স্বৰূপ। গ্ৰন্থ কেইখনত মূলতঃ ৰামৰ কাহিনীৰ আধাৰ ৰচিত। সেয়ে তেওঁক অসমীয়া ৰামায়ণী সাহিত্যত স্থান অদ্বিতীয়। তেওঁৰ তিনিখন গ্ৰন্থৰ ভিতৰত *শত্ৰুঞ্জয়* আৰু *অদ্ভূত ৰামায়ণ* কাব্যত আনহাতে *কথা ৰামায়ণ* গদ্যত ৰচিত।
- অধ্যায়টোত ৰঘুনাথ মহন্তৰ গদ্যৰীতিৰ লগতে অসমীয়া সাহিত্যত তেওঁৰ স্থান কি সেই বিষয়েও বিশদভাৱে আলোচনা কৰা হ'ল। আলোচনাৰ অন্তত ক'ব পাৰি যে ৰঘুনাথ মহন্তই ভকতীয়া গদ্য ঠাঁচ আৰু ভট্টদেৱৰ গদ্যৰ মধ্যৱৰ্তী পন্থা অৱলম্বন কৰি নিজস্ব গদ্যৰীতি তৈয়াৰ কৰিছে যদিও বুৰঞ্জী আৰু চৰিতপুথিৰ গদ্যৰ সৈতে সামান্যভাৱে সাদৃশ্য অনুভৱ কৰা যায়। অৱশ্যে, তেওঁৰ ৰচনাত বৈয়াকৰণিক নতুন বৈশিষ্ট্য বা প্ৰয়োগ দেখা নাযায় আৰু তেওঁৰ গদ্যৰীতি তেওঁতেই সীমিত।
- আপোনাৰ অধ্যয়ন বাবে নিৰ্বাচিত কৰি দিয়া 'ৰামৰ বন-গমন' পাঠাংশৰ মূল বিষয়বস্তু সম্পৰ্কে অৱগত হ'ল। এই পাঠাংশৰ মাজতেই আমি অনুভৱ কৰিব পাৰিলোঁ যে ৰঘুনাথ মহন্তই তেওঁৰ ৰচনাৰাজিত ৰামকথা কেনেদৰে ব্যক্ত কৰিছে।



## ২.৬ অধিক জানিবলৈ


১) কটকী, প্ৰফুল্ল (১৯৮৮); *ক্ৰমবিকাশত অসমীয়া কথা শৈলী*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) নাথ, প্ৰফুল্ল কুমাৰ (২০১৪); *অসমীয়া কথা সাহিত্য ঃ পৰম্পৰা আৰু পৰিৱৰ্তন;* গুৱাহাটী ঃ বান্ধৱ।

৪) নাথ, প্ৰফুল্ল কুমাৰ (২০১২); *অসমীয়া গদ্য সাহিত্যৰ পৰিচয় ;* নগাঁও ঃ ক্ৰান্তিকাল প্ৰকাশন।

৫) নাথ, প্ৰফুল্ল কুমাৰ (২০০৮); *পুৰণি অসমীয়া সাহিত্যৰ ইতিহাস;* গুৱাহাটী ঃ বুকলেণ্ড।

৬) ফুকন পাটগিৰি, দীপ্তি (১৯৯৭); *মধ্যযুগৰ অসমীয়া ভাষা সাহিত্যৰ ৰেঙণি;* গুৱাহাটী ঃ বনলতা।

৭) বৰুৱা, বিৰিঞ্চি কুমাৰ (১৯৯৭); *অসমীয়া কথা সাহিত্য;* নলবাৰী ঃ জাৰ্ণাল এম্পৰিয়াম।

৮) বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) (১৯৭২); *ৰঘুনাথ মহন্ত বিৰচিত অদ্ভুত ৰামায়ণ;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

৯) বৰুৱা, বিৰিঞ্চি কুমাৰ (সম্পা.) (১৯৭২); *ৰঘুনাথ মহন্ত বিৰচিত শত্ৰুঞ্জয়;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১০) মহন্ত, কেশদা (১৯৮৪); *অসমীয়া ৰামায়ণী সাহিত্য (১ ম খণ্ড);* যোৰহাট।

১১) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৯); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

১২) শৰ্মা, সত্যেন্দ্ৰনাথ (সম্পা.) (১৯৫৮); *কথা ৰামায়ণ;* কলিকতা।

১৩) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১৪) শৰ্মা, দুৰ্গেশ্বৰ (১৯৯৪) (অপ্ৰকাশিত গৱেষণা গ্ৰন্থ); *ৰঘুনাথ মহন্ত আৰু তেওঁৰ ৰচনাৱলী অধ্যয়ন;* গুৱাহাটী ঃ গুৱাহাটী বিশ্ববিদ্যালয়।

১৫) শৰ্মা, দলৈ হৰিনাথ (১৯৯২); *অসমীয়া গদ্য-সাহিত্যৰ গতিপথ;* নলবাৰী ঃ পদ্মপ্ৰিয়া লাইব্ৰেৰী।

## ২.৭ অগ্ৰগতিৰ খতিয়ান

**১ নং প্ৰশ্নৰ উত্তৰ ঃ** হেমচন্দ্ৰ গোস্বামীয়ে ৰঘুনাথ মহন্তৰ প্ৰথম কাব্য পুথি *শত্ৰুঞ্জয়* ৰচনাৰ সময় ১৬৬৮ শক অৰ্থাৎ ১৭৩৬ চন বুলি অসমীয়া পুথিৰ বিৱৰণাত্মক তালিকা নামৰ গ্ৰন্থত উল্লেখ কৰি গৈছে।


**২ নং প্ৰশ্নৰ উত্তৰ ঃ** নাই।

**৩ নং প্ৰশ্নৰ উত্তৰ ঃ** অশুদ্ধ।

**৪ নং প্ৰশ্নৰ উত্তৰ ঃ** ৰঘুনাথ মহন্তই প্ৰতিটো অধ্যায়ৰ শেষত বৈষ্ণৱ কবিকূলৰ দৰে ভগৱন্তৰ শ্ৰীচৰণত নিজকে সমৰ্পণ কৰিবলৈকো মনত পেলাই দিয়াৰ বাবে মহেশ্বৰ নেওগে “প্ৰতিটো অধ্যায়ৰ শেষত ভক্তিৰ আঁচুফুল গাঁথি দিয়া হৈছে” বুলি কৈ তেওঁ “বৈষ্ণৱ গদ্যৰ যোড়শ শতিকাৰ ঐতিহ্যৰ পুনৰুত্থান কৰিবৰ প্ৰয়াস কৰিছিল” বুলি মত পোষণ কৰিছিল।

**৫ নং প্ৰশ্নৰ উত্তৰ ঃ** সুমন্তই।

**৬ নং প্ৰশ্নৰ উত্তৰ ঃ** মাতৃ কৌশল্যাই মনু বাক্য “দশ বিপ্ৰাধিক অধ্যাপক, দশ অধ্যাপকতো অধিক পিতৃ, পিতৃতো দশগুণে মাতৃ।” বুলি কৈ বনলৈ নাযাবলৈ কৈছিল।



## ২.৮ আৰ্হি প্ৰশ্ন

**ক) বস্তুধৰ্মী প্ৰশ্ন**

**প্ৰশ্ন ১ ঃ** তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক—

(ক) *শত্ৰুঞ্জয়*ৰ ছপা সংস্কৰণত সৰ্বমুঠ কিমানটা পদ আছে?

(খ) ৰঘুনাথ মহন্তৰ *কথা ৰামায়ণ*ত উল্লেখ থকা আৰবী-ফাৰ্চী শব্দ দুটামান লিখক।

**প্ৰশ্ন ২ ঃ** শুদ্ধ নে অশুদ্ধ নিৰ্ণয় কৰক—

ক) *অদ্ভুত ৰামায়ণ* কাব্যখনিৰ গদ্যত ৰচিত।

খ) কৈকেয়ীক ৰামক বনলৈ পঠিওৱাৰ মন্ত্ৰণা দিছিল ভৰতে।

**খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ৰঘুনাথ মহন্তৰ জীৱন আৰু কৃতি সম্পৰ্কে চমুকৈ লিখক।

**প্ৰশ্ন ২ ঃ** কুঁজী বুঢ়ীয়ে ৰামৰ বন-গমনত কি প্ৰকাৰ্য সম্পাদন কৰিলে চমুকৈ আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** চমুটোকা লিখক— (ক) *কথা ৰামায়ণ* (খ) লক্ষ্মণ

(গ) কৈকেয়ী (ঘ) কুঁজী বুঢ়ী-মন্থৰা

**গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)**

**প্ৰশ্ন ১ ঃ** ৰঘুনাথ মহন্তৰ গদ্যৰীতিৰ পৰিচয় দাঙি ধৰি পূৰ্বৱৰ্তী কবিসকলৰ সৈতে তেওঁৰ ৰচনাৰীতিৰ মিল দেখুৱাই এটি প্ৰবন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** ‘ৰামৰ বন-গমন’ পাঠাংশৰ কথাখিনি নিজৰ ভাষাত লিখি তিনিওগৰাকী ৰাণীৰ চাৰিত্ৰিক বৈশিষ্ট্য সম্পৰ্কে আলোকপাত কৰক।

**প্ৰশ্ন ৩ ঃ** অসমীয়া গদ্য সাহিত্যত ৰঘুনাথ মহন্তৰ স্থান বিচাৰ কৰি তেওঁৰ গদ্যশৈলীৰ মূল বৈশিষ্ট্যসমূহ আলোচনা কৰক।

**প্ৰশ্ন ৪ ঃ** ‘ৰামৰ বন-গমন’ পাঠাংশৰ আধাৰত ৰামৰ চৰিত্ৰৰ বিচাৰ কৰক।

**প্ৰশ্ন ৫ ঃ** “বৈষ্ণৱ গদ্যৰ যোড়শ শতিকাৰ ঐতিহ্যৰ পুনৰুত্থান কৰিবৰ প্ৰয়াস কৰিছিল”— আপোনাৰ পাঠ্য ‘ৰামৰ বন-গমন’ পাঠাংশৰ আধাৰত কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰক।

*** ***** ***